# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

## সোমবাৰ, ৩ মাৰ্চ, ২০২৫

গৃহ, (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰী ৰূপেশ গোৱালাক সময়ে সময়ে দায়িত্ব অৰ্পন কৰা বিভাগৰ কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয় সমূহৰ বাহিৰে) কৰ্মচাৰী, লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ সমূহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰলোচাক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্গত ভৱন সমূহ আৰু অন্যান্য বিষয় সমূহৰ বাহিৰে) লোক নিৰ্মাণ পথ সমূহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীকৃষ্ণেন্দু পালক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু অন্যান্য বিষয় সমূহৰ বাহিৰে) চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰী প্ৰশান্ত ফুকনক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু অন্যান্য বিষয় সমূহৰ বাহিৰে) প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন, মুখ্যমন্ত্ৰীৰ সচিবালয়, নিৰ্বাচন, বিধায়ন, ৰাজনৈতিক, ৰূপান্তৰ আৰু উন্নয়ন আৰু অন্য কোনো মন্ত্ৰীৰ অধীনত ন্যস্ত নকৰা বিভাগ, ক্ৰীড়া আৰু যুৱ কল্যাণ, সংখ্যালঘু কল্যাণ আৰু উন্নয়ন, লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ সমূহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্গত ভৱনসমূহ আৰু অন্যান্য বিষয় সমূহ) শক্তি, দক্ষতা নিয়োগ আৰু উদ্যমিতা, চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু অন্যান্য বিষয় সমূহ) পশুপালন আৰু পশুচিকিৎসা, মীন, লোক নিৰ্মাণ পথ সমূহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু অন্যান্য বিষয় সমূহ) শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী উন্নয়ন, গৃহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ কাৰাগাৰ, গৃহৰক্ষী আৰু সামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয় সমূহ)

প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০

*বিষয় ঃ* **মৰঙি পথৰ আন্তঃগাঁথনিৰ সম্পৰ্কে**

শ্ৰীমৃণাল শইকীয়া ঃ

* ৪১। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

খুমটাই সমষ্টিৰ মৰঙি মৌজাৰ নামবৰ বনাঞ্চল, বিজুলি বনাঞ্চল, বালিময় দৈগ্ৰোং নদী, শিলাময় কালিয়নি নদী, সেউজীয়া কৃষি,ভূমি, হালধীয়া সৰিয়হ পথাৰৰ সমাহাৰৰ ভৌগোলিক অৱস্থিতিক লৈ এক বিশাল আৰু নান্দনিক গ্ৰাম্য পৰ্য্যটন ক্ষেত্ৰৰ সম্ভাৱনা আছে

যদিও অঞ্চলটোৰ বাট-পথৰ দুৰ্বল আন্তঃগাঁথনিৰ বাবে এই ক্ষেত্ৰত আগবাঢ়িব পৰা নাই। নব্বৈ (৯০) শতাংশ লোক খেতিৰ লগত জড়িত থকা অঞ্চলটোৰ অৰ্থনৈতিক বিকাশৰ স্বাৰ্থত এই ঐতিহাসিক গুৰুত্ব থকা অঞ্চলটোৰ Road Infrastructure Development ৰ বাবে চৰকাৰে ২০০ কোটি টকাৰ এক বিশেষ পেকেজ আগবঢ়াব নেকি?

*বিষয়ঃ* **বাট-পথ আৰু দলং**

ড° ৰফিকুল ইছলাম ঃ

* ৪২। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জনীয়া সমষ্টিৰ MMPNA/127/2022/06 নং পেকেজ আৰু RIDF ৰ "Construction of Road Cum Embankment of River Mora Chaulkhowa" -২০২১-২২ কাম দুটা কেতিয়ালৈ সম্পূৰ্ণ কৰিবলৈ বিভাগীয় নিৰ্দেশ আছিল? ইয়াৰে প্ৰতিটো কামৰ ফিজিকেল আৰু ফাইনেঞ্চিয়েল প্ৰগ্ৰেছ জনাব।

(খ) নিৰ্দিষ্ট সময়ৰ ভিতৰত কাম সম্পূৰ্ণ নকৰা ঠিকাদাৰৰ বিৰুদ্ধে এতিয়ালৈ বিহীত ব্যৱস্থা গ্ৰহণ কৰা হৈছে নে? বৰ্তমানে নিবিদা লাভ কৰা ঠিকাদাৰৰ কাম বাতিল কৰি নতুন ঠিকাদাৰৰ দ্বাৰা আঁচনি দুটা কেতিয়া সম্পূৰ্ণ কৰা হ'ব? তাৰ বিতং তথ্য দিব।

(গ) বৰপেটাৰ পৰা অভয়াপুৰীলৈ যোৱা ৰাজ্যিক ঘাইপথ-২ৰ কৰাৰকুৰৰ বেকী দলঙৰ পশ্চিমৰ অংশৰ প্ৰায় ২০০ মিটাৰ ঠাই গৰাখহনীয়াৰ ফলত গধুৰ যান-বাহনৰ যাতায়ত বিগত দুবছৰৰ পৰা বন্ধ হৈ থকাটো বিভাগ অৱগত নে? যদি হয়, এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে? এই পথটোত সকলোধৰণৰ বাহনৰ সুচল যাতায়তৰ ক্ষেত্ৰত কেতিয়ালৈ ব্যৱস্থা গ্ৰহণ কৰা হ'ব?

(ঘ) চৰকাৰে কাঠৰ দলং সমূহ পকীকৰণ কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল যদিও এতিয়াও জনীয়া সমষ্টিত প্ৰায় ১৫ খন কাঠৰ দলং বিৰাজমান। গতিকে এই সমূহ দলং পকীকৰণৰ কিবা ব্যৱস্থা বিভাগে গ্ৰহণ কৰিব নে?

*Subject :* **Construction of PMGSY-III Roads.**

Shri Sherman Ali Ahmed :

* 43. Will the Minister of PWD Department be pleased to state :

(a) Is it true that the contract of Pkg. no. AS-01-522 was terminated?

(b) If yes, whether SD money is forfeited and the contractor Gunajit Nath is blacklisted ? If not, why ?

(c) Is it true that the said contractor was allotted another Pkg. No. AS-01-523 and the stipulated date of completion was 09-02-2022 ?

(d) If yes, why the contractor has not completed the work after three years of stipulated date of completion and why the (contract) has not been terminated as yet ?

(e) Is it true that formation width of the road varies from 5.50 m to 7.00 m against the prescribed width of 9.00 m ?

(f) If yes, why the formation width is not constructed as per pro-

vision in DPR ?

(g) What is the amount as per BOQ for construction of the road up to GSB level ?

(h) What amounts are paid to the contractor till date ? Please furnish date wise details.

*বিষয় ঃ* **মীন পালন সম্পৰ্কে।**

শ্ৰীধৰ্ম্মেশ্বৰ কোঁৱৰ ঃ

* ৪৪। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰধানমন্ত্ৰী অমৃত সৰোবৰ আঁচনিৰ জৰিয়তে যি সমূহ পুখুৰী খন্দা হ'ল, উক্ত পুখুৰী সমূহত বৈজ্ঞানিক পদ্ধতিৰে মীন পালন কৰি মৎস্য উৎপাদন আৰু বিপণন কৰিবলৈ কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি?

(খ) মীন পালনত স্থানীয় যুৱক সকলক জড়িত কৰাৰ লগতে উন্নত প্ৰশিক্ষণ দি প্ৰয়োজনীয় বিত্তীয় সাহায্য প্ৰদান কৰাৰ উপৰিও মাছৰ পোনা আৰু মাছৰ দানা যোগান ধৰি মৎস্য আহিলা প্ৰদান কৰাৰ ব্যৱস্থাৱলীৰ ওপৰত কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি?

*বিষয় ঃ* **kallaripayattu ৰাষ্ট্ৰীয় খেল বিধক মৰ্য্যাদা দিয়া সন্দৰ্ভত।**

ড° পৰমানন্দ ৰাজবংশী ঃ

* ৪৫। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এইবাৰ ৩৮ নং উত্তৰাখণ্ড ৰাষ্ট্ৰীয় খেল মহোৎসৱত অংশগ্ৰহণৰ ক্ষেত্ৰত অসম অলিম্পিক সন্থাৰ দ্বাৰা Assam kallaripayattu association ক যোগদানৰ ক্ষেত্ৰত উপযুক্ত মৰ্য্যাদা কিয় দিয়া নহ'ল? অন্তিম মুহূৰ্ততহে অংশগ্ৰহণৰ সুযোগ দিয়াৰ বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, (বিতং ভাৱে জনাব)।

(খ) উক্ত খেল বিধক অসম অলিম্পিক সন্থাই গুৰুত্ব নিদিয়াৰ বিষয়ে চৰকাৰ জ্ঞাতনে? যদি জ্ঞাত, এই ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে? (বিতং ভাৱে জনাব)।

(গ) অসম অলিম্পিক সন্থাৰ অন্তৰ্গত Assam kallaripayattu association, এই সংস্থাটিয়ে আজিকোপতি চৰকাৰীভাৱে উপযুক্ত সা-সুবিধা সমূহ লাভ কৰিবলৈ সক্ষম নোহোৱাৰ ক্ষেত্ৰত Assam kallaripayattu association ক চৰকাৰৰ পৰা কিবা আৰ্থিক অনুদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছেনে? যদি হোৱা নাই, ভৱিষ্যতে এনে কিবা বৱস্থা গ্ৰহণ কৰিব নেকি? (বিতং ভাৱে জনাব)।

(ঘ) অসম চৰকাৰে গোৱাত কৃতিত্ব অৰ্জন কৰা খেলুৱৈ সকলক চাকৰিত মকৰল কৰিছিল। এই বছৰ এনে সুবিধা পাবনে? (বিতং ভাৱে জনাব)।

(ঙ) চৰকাৰে অসমৰ যুৱক-যুৱতীসকলৰ মাজত খেলবিধৰ বহুলভাৱে প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বৰ্তমান কি ব্যৱস্থা হাতত লৈছে? ভৱিষ্যতে কি ব্যৱস্থা গ্ৰহণ কৰিব? (বিতংভাৱে জনাব)।

*বিষয় ঃ* **ফলকাটাৰী দলং নিৰ্মাণ সম্পৰ্কে।**

শ্ৰীওৱাজেদ আলি চৌধুৰী ঃ

* ৪৬। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিলাসীপাৰা PWD (R) Division ৰ অন্তৰ্গত ফলকাটাৰী দলংখন

কেতিয়া আৰম্ভ হৈছিল আৰু কেতিয়া দলংখনৰ কাম সম্পূৰ্ণ হোৱাৰ কথা আছিল?

(খ) উক্ত দলংখনৰ কামৰ অগ্ৰগতি একেবাৰে লেহেমীয়া, এই ক্ষেত্ৰত চৰকাৰে অলপ গুৰুত্ব দিবনে আৰু দলংখনৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব?

*বিষয়ঃ* **থানার Case সম্পৰ্কিত**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

* ৪৭। মাননীয় গৃহ বিভাগের মন্ত্ৰী মহাশয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) ২০০১ সাল হইতে অদ্যবধি আসামের থানা গুলিতে কি কি ধরনের Case পঞ্জীকরণ হইয়াছে এবং কতটি Case disposal হইয়াছে তাহার জিলা, থানা, ও বছর ভিত্তিক তালিকা সদনে প্ৰকাশের অনুরোধ জানাই।

(খ) কাঠিগড়া সমষ্টির বিহাড়া Out post কে থানায় উন্নিতকরণের সরকারের কোন প্ৰয়াস আছে কি? এই বৃহত্তর অঞ্চলের আইন শৃঙ্খলা রক্ষার স্বাৰ্থে ওই আউট পোষ্টকে থানায় উন্নিতকরণ একান্ত জরুরী। তাই সরকার এই বিষয়ে কি চিন্তা করেন তাহা সদনে প্ৰকাশের অনুরোধ জানাই।

(গ) বিগত ৩ বছরে আসামে বাংলাদেশ হইতে অনুপ্ৰবেশকারী, যাহারা সরকারের কাছে ধরা পড়িয়াছেন, তাহাদের নাম ঠিকানা সহ জিলা ও বছর ভিত্তিক তালিকা সদনে প্ৰকাশের অনুরোধ জানাই।

(ঘ) আসাম পুলিশের constable দের ইউনিফৰ্ম বাবদ সরকার যে অনুদান দেন, তাহা পৰ্যাপ্ত কি? যদি পৰ্যাপ্ত না হয়, তাহা বাড়ানোর জন্য সরকারের কোন পরিকল্পনা আছে কি? তাহার বিস্তারিত তথ্য সদনে প্ৰকাশের অনুরোধ জানাই।

*বিষয়ঃ* **চিকিৎসকৰ সংখ্যা**

শ্ৰীভবেন্দ্ৰ নাথ ভৰালী ঃ

* ৪৮। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) হাতীয়ে খোৱা ৰাজ্যিক পশু চিকিৎসালয়ত কেইজন চিকিৎসক কৰ্মৰত হৈ আছে?

(খ) যদি নাই, তেন্তে তাত নিযুক্তি দিয়া চিকিৎসক জন ক'ত আছে?

*বিষয়ঃ* **দঃ শালমাৰা মানকাচৰ জিলাৰ বাট-পথ সম্পৰ্কে।**

মোঃ আমিনুল ইছলাম (কনিষ্ঠ) ঃ

* ৪৯। মাননীয় লোক নিৰ্মাণ আৰু ৰাষ্ট্ৰীয় ঘাই পথ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) দঃ শালমাৰা মানকাচৰ জিলাত সৰ্বমুঠ কিমান কিঃ মিঃ বাট-পথ আছে আৰু ইয়াৰে কিমান শতাংশ পকী পথ আছে?

(খ) উক্ত জিলাখনত ৰাষ্ট্ৰীয় ঘাই পথ, ৰাজ্যিক ঘাই পথ, অসম মালা, ভাৰত মালা NESIDS আৰু লোক নিৰ্মাণ বিভাগত কিমান কিঃ মিঃ ৰাস্তা আছে? কিঃ মিঃ সহকাৰে তথ্য জনাব।

(গ) মানকাচৰৰ H.M পথটোৰ সকলো পৰ্য্যায়ৰ কাম সম্পূৰ্ণ কৰি NESIDS অন্তৰ্গত নিবিদা গ্ৰহণ কৰাৰ পাছতো কিহৰ কাৰণে কাম আৰম্ভ কৰিব পৰা হোৱা নাই? কেতিয়ালৈকে কাম আৰম্ভ হ'ব? বিতংকৈ জনাব।

(ঘ) মানকাচৰ সমষ্টিত নতুনকৈ সংযোজন হোৱা সাতখন গাঁও পঞ্চায়তৰ প্ৰায়

৭০ হাজাৰ মানুহৰ জিলা সদৰ কাৰ্য্যালয়ৰ লগত যোগাযোগৰ কোনো বাট-পথৰ পৰিকল্পনা কৰা হৈছে নেকি? যদি হৈছে, বিতংকৈ সদনত জনাব।

*বিষয়ঃ* **পথ আৰু দলং নিৰ্মাণৰ আঁচনি**

ডাঃ আচিফ মঃ নাজাৰ ঃ

* ৫০। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈ লোক নিৰ্মাণ বিভাগে কিমান দলং আৰু কিমানটা পথ নিৰ্মাণৰ বাবে আঁচনি বাজেটত নিৰ্ধাৰণ কৰিছিল? এই আটাইবোৰ দলং তথা পথ নিৰ্মাণৰ ঠিকা প্ৰদান কৰা হৈছে নে?

(খ) ইয়াৰে কিমান দলং তথা পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে? কিমান নিৰ্মীয়মান অৱস্থাত আছে? কিমানৰ কাম এতিয়াও আৰম্ভ হোৱা নাই?

(গ) নিৰ্মীয়মান কাম সমূহ কেতিয়া সম্পূৰ্ণ হ'ব আৰু কাম আৰম্ভ নোহোৱা আঁচনি সমূহৰ কাম কেতিয়া আৰম্ভ কৰা হ'ব? সমষ্টিভিত্তিক সবিশেষ তথ্য প্ৰদান কৰিব।

*বিষয়ঃ* **জলেশ্বৰ সমষ্টিৰ ৰাস্তাবোৰ তাৎক্ষণিকভাৱে মেৰামতি সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

* ৫১। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিৰ মূল পথৰ ভিতৰত

I) Lakhipur-Khalisavita Road

II) Lakhipur-Jaleswar Road

III) Rajmita-Tarangapur Road ৰ অৱস্থা খুবেই বেয়া আৰু যাতায়তৰ অনুপযোগী হৈ পৰিছে। গতিকে যাতায়তৰ উপযোগী হোৱাকৈ তাৎক্ষণিকভাবে মেৰামতি কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নে? যদি লৈছে, জনাব।

(খ) জলেশ্বৰ সমষ্টিৰ কেইবাটাও পথৰ মাজত বৰষুণৰ পানী জমা হৈ যাতায়তৰ অনুপযোগী হৈ পৰিছে, ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে ৰাস্তাৰ দুয়োফালে RCC Drainer ৰ বিশেষ প্ৰয়োজন হৈ পৰিছে। বিভাগে RCC Drainer ৰ ব্যৱস্থা কৰিব নে?

*বিষয়ঃ* **ৰাস্তা উন্নয়ন**

শ্ৰীছামছুল হুদা ঃ

* ৫২। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ কিমান কিলোমিটাৰ ৰাস্তা এতিয়াও পকীকৰণ কৰিবলৈ বাকী আছে? ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্যত কিমান কিলোমিটাৰ ৰাস্তা আৰু কিমানখন দলং পকী কৰা হ'ল? যোৱা দুটা বিত্তীয় বৰ্যত কিমান টকাৰ অনুদান এই সমষ্টিয়ে লাভ কৰিছিল আৰু তাৰ কিমান টকা ব্যয় কৰা হ'ল জনাব।

(খ) বিৰসিং জৰুৱা বিধান সভা সমষ্টিত কিমানখন কাঠৰ দলং আৰু বাহৰ দলং আছে? ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্যত দলং নিৰ্মাণৰ কাৰণে কিমান টকাৰ আঁচনিৰ অনুমোদন দিয়া হৈছিল আৰু কিমান টকা ব্যয় কৰা হ'ল?

(গ) ফুলকাৰটাৰী দলংখনৰ কাম কিমান শতাংশ সম্পূৰ্ণ হৈছে আৰু কিমান শতাংশ বাকী আছে? এতিয়ালৈ কিমান টকা খৰচ কৰা হ'ল আৰু কিমান দিনৰ ভিতৰত নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰা হ'ব? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **অবৈধভাৱে সৰবৰাহ কৰা পশুধনৰ ৰক্ষণাবেক্ষণ আৰু গো-শালালৈ পুঁজি আৱণ্টন।**

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ

* ৫৩। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত প্ৰৱৰ্তন কৰা "The Assam Cattle Preservation Act. 2021" খনৰ মূল লক্ষ্য কি? আইনখনৰ অনুচ্ছেদ 3 (e) ৰ অধীনত ৰাজ্যখনত কিমান সংখ্যক গো-শালা পঞ্জীয়ন হৈছে? ইয়াৰে কেইখন চৰকাৰী আৰু কেইখন বেচৰকাৰী? (তালিকা দাখিল কৰিব)।

(খ) উক্ত আইন কাৰ্য্যকৰী কৰাৰ লক্ষ্যৰে প্ৰৱৰ্তন কৰা "The Assam Cattle Rule, 2022" ত সন্নিবিষ্ট Cl. 12 ৰ মূল লক্ষ্য কি জনাবনে আৰু এই লক্ষ্য পূৰণ কৰাৰ বাবে পশুপালন আৰু পশু চিকিৎসা বিভাগলৈ ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ বিত্তীয় বৰ্ষত কিমান পুঁজি আৱণ্টন দিছে?

(গ) অবৈধভাৱে সৰবৰাহ কৰা পশুধন প্ৰশাসনে জব্দ কৰি আইনগতভাৱে বেচৰকাৰী গো-শালাক ৰক্ষণা-বেক্ষণৰ দায়িত্ব দিয়াটো চৰকাৰ অৱগত নে? যদি অৱগত, এনে গো-শালাই প্ৰাপ্য ধন লাভ কৰিছেনে? যদি কৰিছে তাৰ বিতং তথ্য দিব, যদি নাই কৰা, কিয় নাই কৰা জনাবনে?

(ঘ) যোৰহাটত বাজেয়াপ্ত হোৱা এনে পশুধন বিভাগে শ্ৰীগীতা গো-শালাক ৰক্ষণা বেক্ষণৰ দায়িত্ব দিয়াৰ পাছত প্ৰাপ্য ধন আদায় নিদিয়াত উক্ত গো-শালাই আদালতৰ কাষ চাপে। আদালতে পাবলগীয়া ধন-ৰাশি গো-শালাখনলৈ মুকলি কৰি দিবলৈ ১৬-৫-২০২৩ তাৰিখে দিয়া নিৰ্দেশ (Pulibor P.S. No 57/ 2022 আৰু Pulibor P.S. Case no. 08/ 2022) এই পৰ্য্যন্ত কাৰ্য্যকৰী নকৰাৰ কাৰণ কি? চৰকাৰে শীঘ্ৰেই ন্যায়ালয়ৰ নিৰ্দেশক মান্যতা প্ৰদান কৰি গো-শালাখনক পাবলগীয়া ধন মুকলি কৰি দিবনে?

*বিষয় ঃ* **'Solar light' বিতৰণ / হিতাধিকাৰীৰ সংখ্যা।**

শ্ৰীনিজানুৰ ৰহমান ঃ

*৫৪। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত বৰ্তমানলৈকে কিমানখন গাঁও বিদ্যুৎ সংযোগৰ পৰা বঞ্চিত হৈ আছে? ইয়াৰ তালিকা আৰু কাৰণ সদনত জনাব।

(খ) ধুবুৰী জিলাৰ অন্তৰ্গত চৰ অঞ্চল সমূহত সৌৰ শক্তি যোগানৰ নামত কি কি আঁচনিৰ কাম হাতত লোৱা হৈছে?

(গ) সৌৰ শক্তি যোগানৰ নামত চৰ অঞ্চল সমূহত কিমানজন হিতাধিকাৰীক 'Solar light' বিতৰণ কৰা হৈছে? ইয়াৰ তালিকা হিতাধিকাৰীৰ নাম আৰু ঠিকনা গাঁও পঞ্চায়ত হিচাপে সদনত দাখিল কৰিব।

(ঘ) বৰ্তমানলৈকে ধুবুৰী, কোক্ৰাঝাৰ আৰু দক্ষিণ শালমাৰা জিলাত শক্তি বিভাগৰ জৰিয়তে কি কি আঁচনিৰ কাম চলি আছে? ইয়াৰ তালিকা আৰু কামৰ অগ্ৰগতি সম্পৰ্কে সবিশেষ তথ্য সদনত জনাব।

*বিষয় ঃ* **আঁচনি সম্পৰ্কে।**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

*৫৫। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত দিনত অসমত ৰূপায়ণ কৰা MSDP আঁচনিৰ কোনকেইটা কামৰ ব্যৱহাৰিক প্ৰমাণ পত্ৰ (UC) কেন্দ্ৰ চৰকাৰলৈ প্ৰেৰণ কৰিব পৰা হোৱা নাই? প্ৰতিটো কামৰ বিপৰীতে কি কাৰণত UC দিব পৰা হোৱা নাই তাৰ কাৰণ জনাব।

(খ) PMJVKY আঁচনিৰ অধীনত অসমত কোনকেইটা আঁচনি ৰূপায়ণ কৰি থকা হৈছে, বিতং তথ্য জনাব।

(গ) সংখ্যালঘু ছাত্ৰ বৃত্তি প্ৰদানৰ গাইডলাইন কি? বিগত ৭ টা বিত্তীয় বৰ্ষত ৰাজ্যত পোষ্ট মেট্ৰিক আৰু প্ৰি মেট্ৰিক ছাত্ৰবৃত্তি কিমান ছাত্ৰ-ছাত্ৰীয়ে গাই পতি কিমানকৈ আৰু সৰ্বমুঠ কিমানকৈ ধন লাভ কৰিছে?

(ঘ) ৱাকফ বোৰ্ডৰ কমিটীৰ কাৰ্য্যকাল কেতিয়া উকলি গৈছে? বৰ্তমানো এই কমিটী গঠন নকৰাৰ কাৰণ কি?

(ঙ) এই বিভাগে বিতৰণ কৰা ই-ৰিক্সাৰ হিতাধিকাৰীৰ নাম-ঠিকনাৰ তালিকা জনাব। এই ৰিক্সা সমূহ কিমান টকা ব্যয়ত কিমান সংখ্যক কিনা হ'ল জনাব।

*বিষয় ঃ* **অপৰাধমূলক গোচৰ আৰু এনকাউণ্টাৰৰ সংখ্যা।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

*৫৬। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ পৰা বৰ্তমানলৈকে অসমত সংঘটিত হোৱা অপৰাধমূলক গোচৰৰ বৰ্ষভিত্তিক তথ্য, নিষ্পত্তি নোহোৱাকৈ থকা গোচৰ, কিমান শতাংশ গোচৰ নিষ্পত্তি কৰা হ'ল, ইয়াৰ তথ্য দাখিল কৰিব।

(খ) ২০১৬ চনৰ পৰা অসমত সংঘটিত এনকাউণ্টাৰৰ সংখ্যা, কিমানৰ মৃত্যু হ'ল, কিমান আহত হ'ল তাৰ তথ্য দাখিল কৰিব।

(গ) ২০১৬ চনৰ পৰা বৰ্তমানলৈ অসমত অবৈধভাৱে প্ৰৱেশ কৰা কোন দেশৰ কিমান নাগৰিকক কৰায়ত্ত কৰা হ'ল, কিমানক বিতাড়ন কৰা হ'ল, এতিয়ালৈ ঘোষিত বিদেশীৰ কিমান পলাই আছে জনাব।

(ঘ) অসমৰ ডিটেনচন চেণ্টাৰসমূহৰ বিতং তথ্যৰ লগতে ডিটেনচন চেণ্টাৰত থকা বিদেশীৰ পোহপালৰ নামত হোৱা ব্যয়ৰ তথ্য (২০১৬ চনৰ পৰা) আৰু সেই সকলক কেতিয়া বিতাড়ণ কৰা হ'ব জনাব।

(ঙ) অসমৰ ৰাজ ভৱনৰ সন্মুখত কংগ্ৰেছৰ প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগৰ ফলত মৃত্যু হোৱা কংগ্ৰেছ নেতা মৃদুল ইছলামৰ পৰিয়ালক চৰকাৰে কেতিয়া ক্ষতিপূৰণ আৰু পৰিয়ালৰ সদস্যক সংস্থাপন

দিব জনাব। এই ঘটনাৰ বাবে দায়ী আৰক্ষীৰ বিৰুদ্ধে তদন্ত কৰি কি ব্যৱস্থা লোৱা হ'ল, বিতংকৈ জনাব।

(চ) অসমৰ কোন কোন জিলাৰ সৈতে বাংলাদেশৰ কিমান সীমা সংলগ্ন হৈ আছে, কাঁইটীয়া বেৰ কিমান দিয়া হ'ল, ক'ত কাঁইটীয়া বেৰ নাই বিতংকৈ জনাব।

*Subject :* **Minorities Development Programme.**

Shri Jolen Daimary :

*57. Will the Minister of Welfare of Minorities Development Department be pleased to state :

In our Tamulpur Constituency, minorities are still very backward. Has the Minorities Development Department taken any initiative to improve them? If yes, please furnish detail.

*বিষয় ঃ* **ড্ৰাগছ, গাঞ্জা, হেৰ'ইন আদিৰ অবৈধ ব্যৱসায় সম্পৰ্কে।**

শ্ৰীতেৰছ গোৱালা ঃ

*৫৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ড্ৰাগছ, গাঞ্জা, হেৰ'ইন আদিৰ অবৈধ ব্যৱসায় চলি থকা সম্পৰ্কে চৰকাৰ জ্ঞাত নে?

(খ) যদি জ্ঞাত, ড্ৰাগছ, গাঞ্জা, হেৰ'ইন আদি ব্যৱসায় প্ৰতিৰোধৰ বাবে কি কি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে? সবিশেষ জনাব।

(গ) ড্ৰাগছ, গাঞ্জা, হেৰ'ইনৰ অবৈধ ব্যৱসায় কৰা কিমানজনক এতিয়ালৈকে গ্ৰেপ্তাৰ কৰিছে? জিলা ভিত্তিত সৰবৰাহকাৰী সকলৰ নাম, ঠিকনা যোৱা ১০ বছৰৰ তথ্য সহকাৰে সবিশেষ জনাব।

(ঘ) বৰ্তমানলৈকে কিমান পৰিমাণৰ ড্ৰাগছ, গাঞ্জা, হেৰ'ইন জব্দ কৰা হৈছে? ইয়াৰ বজাৰ মূল্য কিমান হ'ব? যোৱা ১০ বছৰৰ তথ্য দিব।

(ঙ) ড্ৰাগছ, গাঞ্জা, হেৰ'ইন সেৱন কৰিলে স্বাস্থ্যৰ বাবে কি কি ক্ষতি হয়? সবিশেষ জনাব।

(চ) ড্ৰাগছৰ বিৰুদ্ধে জনসাধাৰণৰ মাজত কি কি সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে? সবিশেষ জনাব।

*বিষয় ঃ* **বরাক উপত্যকার জাতীয় সড়ক পুনঃসংস্কার।**

শ্ৰীখলিল উদ্দিন মজুমদার ঃ

*৫৯। মাননীয় লোক নির্মাণ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করে জানাবেন কি ঃ

বরাক উপত্যকার জাতীয় সড়ক এর অবস্থা খুবই বেহাল, বিভিন্ন জায়গায় পুকুরসম গর্ত, যার দরুন প্রতিনিয়ত সড়ক দুর্ঘটনা সংঘটিত হচ্ছে।

বিশেষ করে SH-38 (কালাইন থেকে শিলচর রোড) NH-37 (বদরপুর থেকে শিলচর), NH-154 (ধলেশ্বর থেকে ভৈরবী) বরাক উপত্যকার সড়ক পথে যোগাযোগর এই প্রধান মাধ্যম গুলো অতি সত্তর মেরামত (পুনঃসংস্কারের) এর জন্য সরকার কি কোন ব্যবস্থা গ্রহণ করবে?

*বিষয়ঃ* **ৱাক্‌ফ ব'ৰ্ড গঠন**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

*৬০। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম ৰাজ্যিক ৱাক্‌ফ ব'ৰ্ডৰ কাৰ্য্যকাল কেতিয়া অন্ত পৰিছে? নতুনকৈ ৰাজ্যিক ৱাক্‌ফ ব'ৰ্ড গঠন কৰা হোৱা নাই নেকি? যদি হোৱা নাই কিয়? কেতিয়া ৰাজ্যিক ৱাক্‌ফ ব'ৰ্ড পুনৰ গঠন কৰা হ'ব?

(খ) এতিয়ালৈকে অসমৰ কোন কোন জিলাত কিমান ৱাক্‌ফ সম্পত্তি বেদখল হৈ আছে? এই বিলাক কেতিয়া বেদখলমুক্ত কৰা হ'ব?

(গ) অসমৰ কোন কোন জিলাত কিমান ৱাক্‌ফ সম্পত্তি আছে? যোৱা ৩ বছৰত তাৰ পৰা কিমান আয় হৈছে?

---

A.G.P. (Mini) LAQ - 14 /2025-550-26-02-2025